**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 12-01-2026** **Time : 1205 Hrs**

***Assamese Midday Bulletin***

----------------------------

## *Headlines*

১। অন্ধ্রপ্রদেশৰ শ্ৰীহৰিকোটাৰ পৰা উৎক্ষেপন কৰা উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমটো কৃত্ৰিম উপগ্ৰহ ‘লাচিত-ৰান’কে ধৰি ১৫ টা উপগ্ৰহৰ উৎক্ষেপনৰ তৃতীয় পৰ্যায়ত বিজুঁতি।

২। কাইলৈ মাঘ বিহুৰ উৰুকাৰ বাবে ৰাজ্যজুৰি ব্যাপক প্ৰস্তুতি। বিভিন্ন প্ৰান্তত ভোগালী মেলাৰ আয়োজন।

৩। অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাত উত্তীৰ্ণ ২৯২ গৰাকী চাহ জনগোষ্ঠীৰ প্ৰাৰ্থীৰ মাজত আজি নিযুক্তি পত্ৰ বিতৰণী অনুষ্ঠান।

আৰু

৪। আজি ৰাষ্ট্ৰীয় যুৱ দিৱস। প্ৰসিদ্ধ দাৰ্শনিক, স্বপ্নদ্ৰষ্টা স্বামী বিবেকানন্দৰ জয়ন্তী উপলক্ষে বিভিন্ন কাৰ্যসূচী।

0000000

অন্ধ্রপ্রদেশৰ শ্ৰীহৰিকোটাৰ সতীশ ধাৱন মহাকাশ কেন্দ্ৰৰ পৰা পি এছ এল ভি - চি ছিক্সটি টু ৰকেটৰ সহায়ত আজি উৎক্ষেপন কৰা উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমটো কৃত্ৰিম উপগ্ৰহ ‘লাচিত-ৰান’কে ধৰি ১৫ টা উপগ্ৰহৰ উৎক্ষেপনৰ তৃতীয় পৰ্যায়ত বিজুঁতি সংঘটিত হয়। অসম ডনবস্ক’ বিশ্ববিদ্যালয়ৰ গৱেষক ছাত্ৰৰ দলে সাজু কৰা উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমটো কৃত্ৰিম উপগ্ৰহ ‘লাচিত-ৰান’ আজি দিনৰ ১০ বাজি ১৭ মিনিটত উৎক্ষেপন কৰা হৈছিল। ইয়াৰ লগতে দেশী-বিদেশী ১৫ টা কৃত্ৰিম উপগ্ৰহ আছিল। উৎক্ষেপনৰ তৃতীয় পৰ্যায়ত নিয়ন্ত্ৰণ কক্ষৰ সৈতে যোগাযোগ বিচ্ছিন্ন হোৱাৰ ফলত উপগ্ৰহকেইটা কক্ষচ্যুত হয় বুলি ভাৰতীয় মহাকাশ গৱেষণা সংস্থাৰ সূত্ৰই প্ৰকাশ কৰিছে। ইয়াৰ কাৰণ সন্দৰ্ভত বিশ্লেষণ কৰি থকা হৈছে।

0000000

———কাইলৈ মাঘ বিহুৰ উৰুকা। ৰাজ্যৰ বিভিন্ন প্ৰান্তত উৰুকাৰ বাবে ব্যাপক প্ৰস্তুতি চলিছে। গুৱাহাটী মহানগৰীকে ধৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ বজাৰসমূহ বিহুৰ সামগ্ৰীৰে ভৰি পৰিছে। অসমীয়াৰ হেঁপাহৰ ভোগালী বিহুৰ বাবে ঠায়ে ঠায়ে বিভিন্ন আৰ্হিৰে আটকধুনীয়া মেজি আৰু ভেলাঘৰ নিৰ্মাণ কৰাৰ লগতে ভোগালী মেলা অনুষ্ঠিত হৈছে। গ্ৰামাঞ্চলসমূহত জীয়ৰী-বোৱাৰীয়ে ভোগালীত অতিথি আপ্যায়ণৰ বাবে পিঠা-পনা, জা-জলপান প্ৰস্তুত কৰিছে।

অসম ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযান কামৰূপ মহানগৰ জিলাৰ উদ্যোগত উজান বজাৰৰ সতী ৰাধিকা শান্তি উদ্যানত অনুষ্ঠিত অসমী ভোগালী মেলাৰ কালি সামৰণি পৰে। গুৱাহাটী মহানগৰীৰ দীঘলীপুখুৰী পাৰৰ সমীপৰ লক্ষ্মীধৰ বৰা ক্ষেত্ৰ, খানাপাৰা আদি স্থানতো ব্যক্তিগত অনুষ্ঠান-প্ৰতিষ্ঠানৰ উদ্যোগত আয়োজিত ভোগালী মেলাত মহিলাসকলে প্ৰস্তুত কৰা লাৰু, পিঠা, জহা চাউল, বৰা চাউলৰ লগতে বিভিন্ন থলুৱা খাদ্য উপলব্ধ হৈছে।

ৰাজ্যৰ আন আন জিলাসমূহতো ভোগালী বিহু উপলক্ষে ব্যাপক উছাহ পৰিলক্ষিত হৈছে।

00000

অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষা- এ ডি আৰ ইত উত্তীৰ্ণ ২৯২ গৰাকী চাহ জনগোষ্ঠীৰ প্ৰাৰ্থীৰ মাজত আজি নিযুক্তি পত্ৰ বিতৰণ কৰা হ’ব। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় প্ৰেক্ষাগৃহত আয়োজিত এটা অনুষ্ঠানত প্ৰাৰ্থীসকলক নিযুক্তিপত্ৰ প্ৰদান কৰা হ’ব।

0000000

চিৰাং জিলাৰ বিজনীৰ বৰলাউগাঁৰৰ থেংফাখ্ৰী পথাৰত অনুষ্ঠিত বড়ো সাহিত্য সভাৰ ৬৫ সংখ্যক কেন্দ্ৰীয় বাৰ্ষিক অধিৱেশনৰ কালি সামৰণি পৰে। কালি অন্তিম দিনা বিভিন্ন জাতি-জনগোষ্ঠীৰ অংশগ্ৰহণেৰে বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা

উলিওৱা হয়। বড়ো সাহিত্য সভাৰ উপ-সভাপতি গোপীনাথ বৰগয়াৰীয়ে এই শোভাযাত্ৰা মুকলি কৰে। আনহাতে ড° সুৰথ নাৰ্জাৰীৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভা বি টি চিৰ মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰীয়ে উদ্বোধন কৰে। শ্ৰীমহিলাৰীয়ে নিজৰ ভাষণত বড়ো সাহিত্যক বিশ্বমুখী কৰাৰ বাবে প্ৰচেষ্টা চলাবলৈ বি টি চি প্ৰশাসন বদ্ধপৰিকৰ বুলি মত প্ৰকাশ কৰে। মুকলি সভাত মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই অংশ লৈ **মহাত্মা গান্ধী** শীৰ্ষক এখন গ্ৰন্থ উন্মোচন কৰে। নিজৰ ভাষণত মন্ত্ৰীগৰাকীয়ে ৰাজ্য চৰকাৰে অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ উন্নয়নৰ হকে গ্ৰহণ কৰা পদক্ষেপসমূহত আলোকপাত কৰে। বড়ো সাহিত্য সভাই ছটা দশক অতিক্ৰম কৰি এই পৰ্যায়ত উপনীত হোৱাটো আশাব্যঞ্জক কথা বুলি তেওঁ মন্তব্য কৰে। অনুষ্ঠানত মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, প্ৰাক্তন সাংসদ ছানচুমা খুংগুৰ বিছমুতিৰায়ী, প্ৰাক্তন মন্ত্ৰী প্ৰমীলা ৰাণী ব্ৰহ্ম, বৰ্তমানৰ সাংসদ ৰণগৌড়া নাৰ্জাৰী আৰু জয়ন্ত বসুমতাৰীৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশ লয়। কালি মুকলি মঞ্চত চুবুৰীয়া ৰাষ্ট্ৰ ভূটান আৰু প্ৰতিবেশী ৰাজ্য ত্ৰিপুৰাৰ সাংস্কৃতিক দলৰ লগতে বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকনৃত্যই দৰ্শকক আপ্লুত কৰে। লগতে মুকলি সভাত ১৩০ গৰাকী বড়ো যুৱতীয়ে বাগৰুম্বা নৃত্য পৰিৱেশন কৰে। নিশা জুবিন গাৰ্গ সোঁৱৰণী সাংস্কৃতিক অনুষ্ঠানত বহুকেইজন শিল্পীয়ে অনুষ্ঠান পৰিৱেশন কৰে।

০০০০০০০০

———ডিব্ৰুগড় জিলা দুলীয়াজান সাহিত্য সভাই সুধাকণ্ঠ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে সদৌ অসম ভিত্তিত আয়োজন কৰা প্ৰবন্ধ প্ৰতিযোগিতাৰ ফলাফল ঘোষণা কৰিছে। প্ৰতিযোগিতাৰ ক শাখাত ড° ভূপেন হাজৰিকাৰ গীতত উত্তৰ-পূৰ্বাঞ্চলৰ সমাজ শীৰ্ষক বিষয়ত কোকৰাঝাৰ বাণিজ্য মহাবিদ্যালয়ৰ একাদশ শ্ৰেণীৰ ছাত্ৰী নিয়ৰ নিৰিবিলি বৰাই প্ৰথম স্থান লাভ কৰিছে। গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয়ৰ স্নাতক চতুৰ্থ যান্মাষিকৰ ছাত্ৰ প্ৰিতম কুমাৰ শৰ্মাই দ্বিতীয় আৰু নৰ্থ লখিমপুৰ বিশ্ববিদ্যালয়ৰ  স্নাতক তৃতীয় যান্মাসিকৰ ছাত্ৰ দেৱকান্ত বৰুৱাই তৃতীয় স্থান লাভ কৰে। খ শাখাত ভূপেন হাজৰিকাৰ সৃষ্টিৰাজিত মানৱতাবোধ শীৰ্ষক বিষয়ত গোলাঘাট হামদৈ পথাৰৰ পলাশ বৰুৱাই প্ৰথম, মৰিগাঁও বঘৰা সোণাৰি গাঁৱৰ কৃষ্ণ হাজৰিকাই দ্বিতীয় আৰু দুলীয়াজান উষাপুৰৰ অমি বৰাই তৃতীয় স্থান লাভ কৰিছে। অহা ২৪ জানুৱাৰীত দুলীয়াজান বিহুতলীত হ'বলগীয়া সপ্তদশ দুলীয়াজান গ্ৰন্থমেলাত পুৰস্কাৰসমূহ বিতৰণ কৰা হ'ব।

০০০০০০০

আজি ৰাষ্ট্ৰীয় যুৱ দিৱস। প্ৰসিদ্ধ দাৰ্শনিক, স্বপ্নদ্ৰষ্টা স্বামী বিবেকানন্দৰ জয়ন্তী উপলক্ষে প্ৰতিবছৰে আজিৰ দিনটোত এই দিৱস পালন কৰি অহা হৈছে। যুৱ প্ৰজন্মৰ মাজত আত্মবিশ্বাস, সেৱা আৰু দেশ গঢ়াৰ প্ৰেৰণা যোগোৱাৰ উদ্দেশ্যে পালন কৰি অহা ৰাষ্ট্ৰীয় যুৱ দিৱস উপলক্ষে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মহান চিন্তাবিদগৰাকীৰ জন্মদিনত শ্ৰদ্ধা নিবেদন কৰিছে। স্বামী বিবেকানন্দৰ জয়ন্তীৰ সৈতে সংগতি ৰাখি নতুন দিল্লীত আয়োজন কৰা বিকশিত ভাৰত যুৱনেতা সন্মিলন-২০২৬ত অসমৰ পৰা অংশগ্ৰহণ কৰা আৰিয়ান কাশ্যপ আৰু দীক্ষিতা চক্ৰৱৰ্তীক মুখ্যমন্ত্ৰী মুখ্যমন্ত্ৰীয়ে অভিনন্দন জ্ঞাপন কৰিছে।

০০০০০০০০

ৰাজ্যৰ ন্যায়িক খণ্ডৰ উত্তৰণৰ দিশত নতুন দিগন্তৰ সূচনাৰে উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ সূৰ্য কান্তে কালি উত্তৰ গুৱাহাটীৰ ৰংমহলত সংহত ন্যায়িক আদালত চৌহদৰ আধাৰশিলা স্থাপন কৰে। অনুষ্ঠানত অংশগ্ৰহণ কৰি উত্তৰ গুৱাহাটীৰ ৰংমহলত নিৰ্মাণ হ'বলগীয়া গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নতুন ভৱন এখন নতুন আৰু আধুনিক অসমৰ পৰিচয় হ'ব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ এই নতুন চৌহদে ন্যায় ব্যৱস্থাৰ বৰ্ধিত প্ৰয়োজনসমূহ পূৰণ কৰিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে। দুটা পৰ্যায়ত মুঠ এহেজাৰ ৭০০ কোটি টকা ব্যয়সাপেক্ষে ১৪৮ বিঘা ভূমিত স্থাপন হ'বলগীয়া এই আদালত চৌহদত উচ্চ ন্যায়ালয় ভৱন, অধিবক্তাৰ ভৱন আৰু উচ্চ ন্যায়ালয়ৰ কাৰ্যালয় ভৱন, কামৰূপ আৰু কামৰূপ মহানগৰ জিলা আদালতকে ধৰি অন্যান্য সুবিধাসমূহ থাকিব। এই নতুন ভৱনত প্ৰথমতে ৩১টা আদালত কক্ষ থাকিব, য'ত অধিবক্তা আৰু গোচৰীয়া সকলোৰে বিচাৰ প্ৰক্ৰিয়া চাব পাৰিব। তদুপৰি অধিবক্তাৰ বাবে ৩০০টা চেম্বাৰ আৰু দুহেজাৰ অধিবক্তা বহিব পৰা স্থানৰ ব্যৱস্থা কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। তেওঁ লগতে কয় যে বৰ্তমানৰ ৰংমহলৰ

পথটোৱে জিলা আদালতৰ প্ৰয়োজনীয়তা পূৰণ কৰিব আৰু উচ্চ ন্যায়ালয়ৰ বাবে এটা চাৰিলেনযুক্ত পথ নতুনকৈ নিৰ্মাণ কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে এই সভাতে অহা ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গুৱাহাটী আৰু উত্তৰ গুৱাহাটীৰ মাজত ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ কৰা দলংখন উদ্বোধন কৰিব বুলি সদৰি কৰে।

0000000

আকাশবাণীৰ সঞ্চালক প্ৰধানৰ নিৰ্দেশমৰ্মে বাতৰি বিভাগে আৰম্ভ কৰা বিশেষ প্ৰাসঙ্গিক অনুষ্ঠানত আজি বিয়লি ৩ বাজি ৫ মিনিটত কাছাৰ জিলা কৃষি বিভাগৰ দ্বাৰা ৰূপায়িত আঁচনি সন্দৰ্ভত জিলাখনৰ কৃষি বিষয়া ড° ৰাহুল চক্ৰৱৰ্তীৰ সৈতে হোৱা এটি সাক্ষাৎকাৰ প্ৰচাৰ কৰা হ'ব। সাক্ষাৎ গ্ৰহণ কৰিব আমাৰ কাছাৰ জিলাৰ সংবাদদাতা আঁখি ৰাণী দাসে। অনুষ্ঠানটি নিশা ৯ বাজি ১৫ মিনিটত পুনৰ প্ৰচাৰ কৰা হ'ব।

0000000

বিশ্ব ঐতিহ্যক্ষেত্ৰ চৰাইদেউ মৈদাম ক্ষেত্ৰত পৰ্যটন বিভাগৰ উদ্যোগত আৰু চৰাইদেউবাসীৰ সহযোগত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত চৰাইদেউ মহোৎসৱৰ কালি সামৰণি পৰে। কালি অন্তিম দিনা আয়োজিত সাংস্কৃতিক শোভাযাত্ৰাত ৪ সহস্ৰাধিক লোকে অংশগ্ৰহণ কৰে। এই শোভাযাত্ৰাত আহোম সৈনিক আৰু আহোম ডা-ডাঙৰীয়াক লগত লৈ প্ৰতীকি স্বৰ্গদেউৰ লগতে বিভিন্ন জাতি জনগোষ্ঠীৰ সংস্কৃতি প্ৰতিফলন ঘটে। ইয়াৰ পাছতে অনুষ্ঠিত মুকলি সভাত কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, ৰাজ্য চৰকাৰৰ কেবিনেট মন্ত্ৰী যোগেন মহনৰ লগতে কেইবাগৰাকী বুৰঞ্জীবিদে অংশগ্ৰহণ কৰে। এই মহোৎসৱে চৰাইদেউৰ প্ৰতি দেশী-বিদেশী পৰ্যটকক আকৰ্ষিত কৰি তুলিছে বুলি কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী শ্ৰীমাৰ্ঘেৰিটাই প্ৰকাশ কৰে। নিশা অনুষ্ঠিত সাংস্কৃতিক অনুষ্ঠানত ৰাজ্যৰ বহুকেইজন কণ্ঠশিল্পীৰ লগতে নাগালেণ্ডৰ শিল্পীয়ে গীত পৰিৱেশন কৰে।

উল্লেখযোগ্য যে, চৰাইদেউ মৈদামে বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ মৰ্যাদা লাভ কৰাৰ পাছত এই মহোৎসৱে অঞ্চলটোৰ পৰ্যটন আৰু সংস্কৃতিৰ ক্ষেত্ৰলৈ নতুন সম্ভাৱনা কঢ়িয়াই আনিছে।

0000000

গুৱাহাটী প্ৰেছ ক্লাবত কালি **প্ৰাক ভোগালী সাংবাদিকৰ আড্ডা** শীৰ্ষক এটা মনোগ্ৰাহী অনুষ্ঠান আয়োজিত হয়। অনুষ্ঠানত বহুকেইজন সাংবাদিকে নিজৰ প্ৰতিভাৰ পৰিচয় দাঙি ধৰে। ইয়াৰ লগতে সাংবাদিকসকলে লোকনৃত্য, ঝুমুৰ আদি বিভিন্ন সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰে। এই অনুষ্ঠানত জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জনাই সাংবাদিকসকলে কেইবাটাও গীত পৰিৱেশন কৰে। অনুষ্ঠানত সংগীত শিল্পী তৰালী শৰ্মা উপস্থিত থাকে। এই অনুষ্ঠানৰ পূৰ্বে বিয়লি আয়োজিত গুৱাহাটী প্ৰেছ ক্লাবৰ এই মাহৰ অতিথি শিতানত পাঁচবাৰকৈ ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা বিজয়ী অভিনেত্ৰী সুহাসিনী মূলেই অংশগ্ৰহণ কৰে। গুৱাহাটী প্ৰেছ ক্লাবৰ তৰফৰ তেওঁক ফুলাম গামোচা, চেলেং, জাপি, শৰাই আৰু প্ৰশস্তি পত্ৰৰে সম্বৰ্ধনা জনোৱা হয়। গুৱাহাটী প্ৰেছ ক্লাবৰ সভাপতি খগেন কলিতাই আঁত ধৰা এই অনুষ্ঠানত অভিনেত্ৰীগৰাকীয়ে অসমীয়া ছবিত অভিনয় কৰাৰ অভিজ্ঞতাৰ বিষয়ে বৰ্ণনা কৰে।

000000000

**সমাপ্ত**